# অসম বিধান সভা

## তৰাযুক্ত প্ৰশ্ন নং - ৯৩

## উত্তৰ দিয়াৰ তাৰিখ - ১০/০৭/২৬

বিষয়: গৰাখহনীয়াত গৃহহীন হোৱা লোকৰ ক্ষতিপূৰণ সম্পৰ্কে।

বিধায়ক: ড° জয় প্ৰকাশ দাস

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) সোৱণশিৰি নদীৰ দুয়োপাৰে ঘূণাসুঁতি, পূব তেলাহী, চন্দ্ৰপুৰ, হালধিআটি, মুদৈ বিল, কাহিদুৱা, কানিয়াজান, কুংকুৰ, পাভ ভেকেলী আওনীবাৰী, পকনীয়া, খাবলু পমুৱা ইত্যাদি ঠাইসমূহত কিমান ঘৰ গৰাখহনীয়াত বিলীন হৈছে? বিতংকৈ জনাব।

খ) গৰাখহনীয়াৰ ফলত উক্ত স্থানবোৰত কিমান কৃষি ভূমি নদীত বিলীন হৈছে?

গ) গৰাখহনীয়াৰ ফলত গৃহহীন হোৱা লোকে চৰকাৰৰ পৰা ক্ষতিপূৰণ পাইছেনে? জনাব।

ঘ) ৰঙানদীৰ NEEPCO য়ে পানী এৰি দিয়াৰ ফলত কিমান অঞ্চল ক্ষতিগ্ৰস্ত হৈছে? NEEPCO য়ে কিবা ক্ষতিপূৰণ দিছে নে?

ঙ) আমতলা মথাউৰি ভাঙোতে আমতলা আৰু মাজৰচাপৰি বাসীক চৰকাৰে ক্ষতিপূৰণ দিলে নে? যদি নাই দিয়া, কেতিয়ালৈকে দিব? জনাব।

উত্তৰঃ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

(ক) লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি, সোৱণশিৰি নদীৰ দুয়োপাৰে ২০১৭ চনৰ পৰা গৰাখহনীয়াৰ ফলত তলত উল্লেখ কৰা ধৰণে ঘৰ বিলীন হৈছে-

| **ক্ৰমিক নং** | **বৰ্ষ** | **পৰিয়ালৰ সংখ্যা** |
|---|---|---|
| ১ | ২০১৭ | ২১ |
| ২ | ২০১৮ | ৬৬ |
| ৩ | ২০১৯ | ৭১ |
| ৪ | ২০২০ | ৯৫ |
| ৫ | ২০২১ | ৫৫ |
| ৬ | ২০২২ | ৯৭ |
| ৭ | ২০২৩ | ২৪ |
| ৮ | ২০২৪ | ৬৮ |
| ৯ | ২০২৫ | ৩৫ |
| ১০ | ২০২৬ | নাই |
| | **মুঠ** | **৫৩২** |

(খ) লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি, সোৱণশিৰী নদীৰ দুয়োপাৰে ২০১৭ চনৰ পৰা গড়াখহনীয়াৰ ফলত লখিমপুৰ জিলাৰ অন্তৰ্গত কৃষিভূমি নদীত বিলীন হোৱাৰ ভূমিৰ পৰিমাণ-

| **ক্ৰমিক নং** | **বৰ্ষ** | **ভূমিৰ পৰিমাণ** |
|---|---|---|
| ১ | ২০১৭ | ৩৮৬ বিঘা ২ কঠা ১৭ লেচা |
| ২ | ২০১৮ | ১৩২৪ বিঘা ৩ কঠা ১৯ লেচা |
| ৩ | ২০১৯ | ২০৭ বিঘা ২ কঠা ০ লেচা |
| ৪ | ২০২০ | ১৩১৬ বিঘা ৩ কঠা ৬ লেচা |
| ৫ | ২০২১ | ২৭৮ বিঘা ১ কঠা ৫ লেচা |
| ৬ | ২০২২ | ৩৪৭ বিঘা ৩ কঠা ১৫ লেচা |
| ৭ | ২০২৩ | ৪১ বিঘা ৩ কঠা ১১ লেচা |
| ৮ | ২০২৪ | ১৭ বিঘা ৩ কঠা ৫ লেচা |
| ৯ | ২০২৫ | ৯ বিঘা ১ কঠা ৩ লেচা |
| ১০ | ২০২৬ | নাই |
| | **মুঠ** | **৩৯৩০ বিঘা ০ কঠা ১ লেচা** |

(গ) লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি, গৰাখহনীয়াৰ ফলত উত্তৰ লখিমপুৰ ৰাজহ চক্ৰত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালে ক্ষতিপূৰণ পাইছে। উক্ত পৰিয়ালবোৰক ২০২১ চনৰ পৰা ২০২৩ চনলৈ ১৭৬ টা পৰিয়ালক @৯৫,১০০ টকাকৈ মুঠ ১,৬৭,২০,০০০ টকা, আৰু ২০২৪ চনৰ পৰা ২০২৫ চনলৈ ১০৩ টা পৰিয়ালক বৰ্তমানলৈকে @১,২০,০০০ টকাকৈ মুঠ ১,২৩,৬০,০০০ টকা সাহায্য পৰ্যায় ক্ৰমে প্ৰদান কৰা হৈছে।

(ঘ) লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা লাভ কৰা প্ৰতিবেদন অনুসৰি, ৰঙানদী NEEPCO পানী এৰি দিয়াৰ ফলত বিগত বৰ্ষবোৰত তলত উল্লেখিত গাঁও সমূহ ক্ষতিগ্ৰস্ত হৈছিল:

| **উত্তৰ লখিমপুৰ ৰাজহ চক্ৰ** | **নাওবৈছা ৰাজহ চক্ৰ** |
|---|---|
| ১। আমতলা পি.জি.আৰ | ১. ডিজু চাপৰী |
| ২। বৰবিল | ২. কুলাবিল ব্লক |
| ৩। খুন্দুমিৰি | ৩. ১ নং পাঁচনৈ উজনী |
| ৪। খাৰকাটি | ৪. ২ নং পাঁচনৈ উজনী |
| ৫। আজাৰগুৰি | ৫. ১১০/১০৭ ডিজু গ্ৰান্ট |
| ৬। শান্তিপুৰ মিচিং | ৬. উজনী খামতি বালিগাঁও |
| ৭। বামুগঞা | ৭. ১০/১৩ গ্ৰান্ট ডিজু |
| ৮। দেউবিল | ৮. ১ নং ডিজু পথাৰ |
| ৯। নং ২ বালিজান | ৯. উজনী খামতী |
| ১০। নং ২ যোৰখাট | ১০. উজনী মিৰি |
| | ১১. পহুমৰা আহোম |
| | ১২. ন-ভগনীয়া |

**নিপকোৱে (NEEPCO) ক্ষতিগ্ৰস্ত লোকসকলক কোনো ক্ষতিপূৰণ প্ৰদান কৰা নাই।**

(ঙ) লখিমপুৰ জিলাত ২০২৫-২৬ বৰ্ষত বানপানীত ক্ষতিগ্ৰস্ত হোৱা **১৪৮৯ টা** পৰিয়ালৰ বিপৰীতে মুঠ **১,৬৮,৫৫,০০০/-** টকা বিভাগৰ পৰা মোকলাই দিয়া হৈছে।

তাৰে ভিতৰত আমতলা মথাউৰি ভাঙোতে আমতলা আৰু মাজৰ চাপৰি বাসীৰ **৯২০ টা** পৰিয়ালক ক্ষতিপূৰণ হিচাপে মুঠ **৯০,২৮,০০০/-** টকা অনুদান ইতিমধ্যে বিভাগৰ পৰা মোকলাই দিয়া হৈছে।

* * *

বি: দ্ৰ: প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।